# REGIONAL NEWS UNIT
AKASHVANI :: GUWAHATI
0000000000

**Date : 01-04-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***::::::::::::::::::::::::::::::::***

ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ কাইলৈ হ'বলগীয়া নিৰ্বাচনৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈছে। গোৱালপাৰা আৰু কামৰূপৰ মুঠ ৩৩টা পৰিষদীয় সমষ্টিত কাইলৈ পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ ভোটগ্ৰহণ কৰা হ'ব। পৰিষদীয় সমষ্টিকেইটাত স্থাপন কৰা ৫৭১ টা ভোটগ্ৰহণ কেন্দ্ৰত মুঠ ৪ লাখ ৪৫ হাজাৰ ৫৮৬ গৰাকী ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব পাৰিব।

আমাৰ গোৱালপাৰাৰ সংবাদদাতাই জনোৱা অনুসৰি জিলাখনৰ ১৯ টা সমষ্টিত ৩৬২ টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। কাইলৈ জিলাখনত দুই লাখ ৪০ হাজাৰ ২৫ গৰাকী ভোটাৰে ৫২ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। জিলাখনৰ জয়ৰামকুচি পৰিষদীয় সমষ্টিত এন ডি এৰ প্ৰাৰ্থী প্ৰেমাজুলি ৰাভা বিনাপ্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছে।

কামৰূপ জিলাৰ ১৪ টা পৰিষদীয় সমষ্টিৰ বাবে নিৰ্বাচনী প্ৰস্তুতি সম্পূৰ্ণ হৈছে। সমষ্টিকেইটাত এক লাখ ৬৮ হাজাৰ ৬৬৮ গৰাকী ভোটদাতাই ৪৪ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। জিলাখনত স্থাপন কৰা ২০৯ টা ভোটগ্ৰহণ কেন্দ্ৰৰ ভিতৰত ১০ টা কেৱল মহিলা বিষয়াৰ দ্বাৰা আৰু এটা দিব্যাংগ বিষয়াৰ দ্বাৰা পৰিচালনা কৰা হ'ব। জিলাখনত দুটা আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। নিৰ্বাচন পৰিচালনাৰ বাবে এহেজাৰ ১৩৬ গৰাকী প্ৰিজাইডিং আৰু প'লিং বিষয়া নিয়োজিত কৰা হৈছে।

কাইলৈ হ'বলগীয়া ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত গোৱালপাৰা আৰু কামৰূপ জিলাৰ পৰিষদৰ এলেকাধীন অঞ্চলত বন্ধ ঘোষণা কৰা হৈছে। অসম ৰাজ্যিক নিৰ্বাচন আয়োগৰ সচিবে জাৰি কৰা জাননী অনুসৰি কাইলৈ অঞ্চলটোৰ সকলো চৰকাৰী-বেচৰকাৰী কাৰ্যালয়, শিক্ষা, ব্যৱসায়িক আৰু বিত্তীয় প্ৰতিষ্ঠান বন্ধ থাকিব। ৪ এপ্ৰিলত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব।

০০০০

ৰাজ্য চৰকাৰে এখন সমৃদ্ধিশালী অসম গঢ়াৰ দিশত নিৰন্তৰ কাম কৰি আহিছে। বিশ্বনাথ জিলাৰ বিহালীত আয়োজিত এখন সভাত আত্মসহায়ক গোটৰ যোগ্য মহিলালৈ এককালীন সাহায্য হিচাপে ১০ হাজাৰ টকাকৈ চেক প্ৰদান কৰি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ শুভাৰম্ভ কৰি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে ৰাজ্য চৰকাৰে এই আঁচনিৰ জৰিয়তে নাৰী সমাজক আৰ্থিক দিশত আগুৱাই নিয়া বৃহৎ যাত্ৰাত অগ্ৰসৰ হৈছে। আঁচনিখনে মহিলাসকলক সৰ্বতোপ্ৰকাৰে উপকৃত কৰিব বুলি ডঃ শৰ্মাই প্ৰকাশ কৰে। প্ৰাৰম্ভিক মূলধন হিচাপে লাভ কৰা ১০ হাজাৰ টকাৰ উচিত ব্যৱহাৰৰ ভিত্তিত দ্বিতীয় বৰ্ষত ২৫ হাজাৰ টকা লাভ কৰিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে ইয়াৰে চাৰে বাৰ হাজাৰ টকা বেংক ঋণ হিচাপে আৰু সম পৰিমাণৰ ধন চৰকাৰী সমৰ্থন হিচাপে লাভ কৰিব। তেওঁ কয় যে যিসকলক মহিলাই ব্যৱসায়ত সফলতা অৰ্জন কৰিব তেওঁলোকে তৃতীয় বৰ্ষত ৫০ হাজাৰ টকাকৈ লাভ কৰিব। তেওঁ কয়, যে হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া শিক্ষাৰ্থীসকলে পৰীক্ষাৰ ছয় মাহ আগৰে পৰা টিউচনৰ সুযোগ লোৱাৰ বাবদ ৩০০ টকাকৈ লাভ কৰিব। চৰকাৰে এতিয়াৰে পৰা কৃষকৰ পৰা প্ৰতি কুইণ্টল ধান ২৫৫০ টকাকৈ আৰু প্ৰতি কুইণ্টল সৰিয়হ ৬৪৫০ টকাকৈ ক্ৰয় কৰিব বুলি তেওঁ জানিবলৈ দিয়ে। অনুষ্ঠানত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, স্বাস্থ্য আৰু পৰিয়াল কল্যান

মন্ত্ৰী অশোক সিংহল, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা মন্ত্ৰী কৌশিক ৰয় প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০

ৰাজ্যিক নিৰ্বাচন আয়োগে আসন্ন পঞ্চায়ত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত কোনো ধৰণৰ নৈমিত্তিক আৰু আৰ্জিত ছুটি গ্ৰাহ্য নকৰিবলৈ সকলো জিলা আয়ুক্ত আৰু সমজিলা আয়ুক্তলৈ আজি নিৰ্দেশনা জাৰি কৰিছে। আয়োগৰ সচিবে জাৰি কৰা নিৰ্দেশনা অনুসৰি ৰাজ্যিক নিৰ্বাচন আয়োগৰ লিখিত অনুমতি অবিহনে আজিৰে পৰা পঞ্চায়ত নিৰ্বাচন অন্ত নপৰালৈকে ছুটি মঞ্জুৰ কৰিব পৰা নাযাব।

০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কাইলৈ যোৰহাটত কনভেনচন চেণ্টাৰ, স্বয়ংক্ৰিয় বাহন পৰীক্ষণ কেন্দ্ৰ আৰু ৰে'ল গেটৰ উদ্বোধন কৰিব। তেওঁ লগতে এখন ৰাজহুৱা সভাতো ভাগ ল'ব। জিলাখনৰ অভিভাৱক মন্ত্ৰী তথা বিত্ত মন্ত্ৰী অজন্তা নেওগে উদ্বোধন কৰিবলগীয়া প্ৰতিষ্ঠানসমূহ আজি পৰিদৰ্শন কৰি মুখ্যমন্ত্ৰীৰ ভ্ৰমণৰ প্ৰস্তুতিৰ বুজ লয়।

০০০০

ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা মন্ত্ৰী কৌশিক ৰয়ে আজি ৰাজ্য চৰকাৰৰ সৰিয়হ ক্ৰয় আঁচনিৰ অধীনত বিশ্বনাথ কৃষি চক্ৰৰ অন্তৰ্গত ফলফলিত এটা সৰিয়হ কেন্দ্ৰ আনুষ্ঠানিকভাৱে মুকলি কৰে। অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে কৃষকসকলক চৰকাৰৰ নূন্যতম সমৰ্থনমূল্যত সৰিয়হ বিক্ৰী কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে আঁচনিখন সন্দৰ্ভত খেতিয়কসকলৰ সৈতে মত বিনিময় কৰে।

০০০০

ৰাজ্যজুৰি স্বাস্থ্যসেৱা সুলভ আৰু ইয়াৰ আন্তঃগাঁথনি উন্নত কৰাৰ বাবে অসম মন্ত্ৰীসভাত গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰি আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত জিলা স্বাস্থ্য সমিতিসমূহৰ উদ্যোগত স্বাস্থ্য আৰু কল্যাণ শিবিৰ অনুষ্ঠিত হয়।

স্বাস্থ্য সেৱাৰ আন্তঃগাঁথনি অধিক শক্তিশালী কৰা তথা জনসাধাৰণৰ বাবে গুণগত চিকিৎসা সুনিশ্চিত কৰাৰ লক্ষ্যৰে ৰাজ্যৰ বিভিন্ন জিলাত এই শিবিৰসমূহ মুকলি কৰা হয়।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌত অনুষ্ঠিত এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে - পাঞ্জাৱ কিংছক জয়ৰ বাবে ১৭২ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

খেলখনত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৭ টা উইকেটৰ বিনিময়ত ১৭১ ৰাণ সংগ্ৰহ কৰে।

০০০০

অসমে কেৰালাত অনুষ্ঠিত পঞ্চম ৰাষ্ট্ৰীয় যোগাসন ক্ৰীড়া প্ৰতিযোগিতাত এঘাৰটা সোণ, ১৪ টা ৰূপ আৰু ৮ টা ব্ৰঞ্জসহ মুঠ ৬৩ পইণ্টেৰে শ্ৰেষ্ঠ বিজয়ী দলৰ খিতাপ অৰ্জন কৰিছে। এই প্ৰতিযোগিতাত তামিলনাডু দ্বিতীয় আৰু ঘৰুৱা দল কেৰালাই তৃতীয় স্থান অধিকাৰ কৰে। উল্লেখযোগ্য যে অসমে যোৱা বছৰ চত্তিশগড়ত অনুষ্ঠিত চতুৰ্থ ৰাষ্ট্ৰীয় যোগাসন ক্ৰীড়া প্ৰতিযোগিতাতো শ্ৰেষ্ঠ দলৰ অধিকাৰ দখল কৰিবলৈ সমৰ্থ হৈছিল।

০০০০

ঃঃ সমাপ্ত ঃঃ